
প্ৰকাশ কাল : ১ অক্টোবৰ, ২০০৩

# নতুন প্ৰান্তিক




- বিশ্বায়ন, শ্ৰমিক নিষ্পেষণ আৰু ভাৰতৰ শ্ৰমিক আন্দোলনৰ ধাৰা
- বিশ্বায়ন বিৰোধিতা কোন পথে
- সেউজীয়া পাহাৰত গেৰুৱা ৰহন

সম্পাদক

ড° হীৰেন গোহাঁই

৬

# এটি বিশেষ ঘোষণা

ইয়াৰ দ্বাৰা সকলো গ্ৰাহক, লেখক, বিক্ৰেতা আৰু বিজ্ঞাপনদাতাক জনোৱা হয় যে শ্ৰীৰূপজ্যোতি কোঁৱৰ আৰু শ্ৰীশান্তনু কোঁৱৰ এতিয়া আৰু নতুন পদাতিকৰ পৰিচালনা সমিতিত নাই। সেয়ে টকা-পইচাকে ধৰি কোনো ক্ষেত্ৰতে তেওঁলোকৰ লগত লেনদেন কৰিলে নতুন পদাতিক গোষ্ঠী তাৰ বাবে জগৰীয়া নহ'ব।

— নতুন পদাতিক গোষ্ঠী

# নতুন পদাতিকৰ এজেণ্টসকলৰ প্ৰতি

আমি দুখেৰে জনাবলগীয়া হৈছে আমাৰ প্ৰাপ্যধন পৰিশোধ কৰাত বহুতে বিলম্ব কৰিছে। প্ৰতিজনেই হয়তো ভাবিছে যে সেই ধনৰ পৰিমাণ অত্যধিক নহয়। কিন্তু কেইবাজনৰো হিচাপ যোগ কৰিলে অংকটো শকত হয়।

নতুন পদাতিকৰ নিচিনা এখন ক্ষুদ্ৰ আৰু অব্যৱসায়িক আলোচনী এখনে অসমৰ বৌদ্ধিক জগতত এটা ডাঙৰ অভাৱ পূৰণ কৰিছে। প্ৰাপ্য ধন যথাসময়ত পৰিশোধ কৰা নহ'লে আলোচনীখনৰ প্ৰকাশত বিজুতি ঘটিব। সেয়ে আপোনাৰ দেয় ধন নতুন পদাতিকৰ ঠিকনাত পঠাই দিবলৈ সনিৰ্বন্ধ অনুৰোধ জনোৱা হ'ল।

- নতুন পদাতিক গোষ্ঠী

## নতুন পদাতিকৰ ঠিকনা

মুখ্য কাৰ্যালয় ঃ নতুন পদাতিক
পূব শৰণীয়া মূল পথ, ২ নং উপপথ,
চানমাৰি, গুৱাহাটী-৭৮১০০৩

**COVER :** *Nripen Nath*
***Printed*** **at Classic Offset, Opp. Guwahati Commerce College, Ghy-3**

নতুন পদাতিক গোষ্ঠীৰ দ্বাৰা প্ৰকাশিত আৰু শৰাইঘাট ফটোটাইপছ, বামুণীমৈদামত মুদ্ৰিত

নতুন

# পদাতিক

সাহিত্য-সংস্কৃতি-সমাজ বিষয়ক প্ৰগতিশীল দুমহীয়া

পঞ্চম বৰ্ষ ● তৃতীয় সংখ্যা ● ছেপ্টেম্বৰ-অক্টোবৰ, ২০০৩ ● মূল্য ঃ ১৫ টকা

*মুখ্য সম্পাদক*
ড° হীৰেন গোহাঁই

*সহযোগী সম্পাদক*
ইন্দিবৰ দেউৰী
সিদ্ধাৰ্থ লাহিড়ী
সুবোধ শৰ্মা
প্ৰণৱ আচাৰ্য
ড° সুৰজিৎ বৰুৱা
শৈলেন বৰকটকী

*যোগাযোগৰ ঠিকনা*
নতুন পদাতিক
পূৱ শৰণীয়া মূল পথ,
১ নং উপপথ, চানমাৰি,
গুৱাহাটী-৭৮১০০৩
E-mail
natun-padatik@rediffmail.com

*উজনি অসমৰ যোগাযোগৰ ঠিকনা*
প্ৰযত্নে- ছইণ্টিফিকেলি অৰিয়েন্টেড
কোচিং চেণ্টাৰ বালিঘাট তিনিআলি,
ডাক-গড়গাঁও (নাজিৰা),
শিৱসাগৰ-৭৮৫৬৮৫
ফোন নং ঃ ০৩৭৭২-২৫০৪১৭
০৩৭৩-২৩২৪৮৩৩

ডিটিপি
ডিজিটেল বৰ্ল্ড
নিজৰাপাৰ, চানমাৰি
গুৱাহাটী-৭৮১০০৩

## এই সংখ্যাত আছে

● *সম্পাদকীয়*
বিশ্বায়ন বিৰোধিতা কোন পথে— ২
● *বিশেষ প্ৰবন্ধ*
বিশ্বায়ন, শ্ৰমিক নিষ্পেষণ আৰু ভাৰতৰ শ্ৰমিক আন্দোলনৰ ধাৰা
✍ অনুভৱ দত্ত— ৪
● *প্ৰবন্ধ*
সেউজীয়া পাহাৰত গেৰুৱা ৰহণ ✍ ইন্দিবৰ দেউৰী— ১৩
জনজাতি সমস্যা, ভূমি আৰু সাম্ৰাজ্যবাদ ✍ ড° হীৰেন গোহাঁই-১৯
মধ্যযুগত অসমীয়া নাৰীৰ সামাজিক অৱস্থান(২)
✍ শৈলেন বৰকটকী- ২৪
● *কবিতা*— ৩৪-৩৬
অ-কবিতাৰ কবিতা ✍ বিজয় ৰবিদাস
শব্দ ✍ মন্টু লাহিড়ী
প্ৰেমৰ এক বহল আত্মীয়তা ✍ অবিনাশ লস্কৰ
● *গল্প*
আটায়ে শিল্পী ✍ বিপুল খাটনিয়াৰ— ৩৭
● *বিতৰ্ক*
আধুনিক বিজ্ঞানৰ তত্ত্ব; সমাজ পৰিবৰ্তন তথা প্ৰগতিত ইয়াৰ প্ৰাসংগিকতা ✍ ঋতুৰাজ কলিতা— ৪৮
● *অনুবাদ প্ৰবন্ধ*
চাৰ্বাক দৰ্শন ✍ হেমন্ত গংগোপাধ্যায়, অনু- প্ৰণৱ আচাৰ্য— ৫৭
তৃতীয় থিয়েটাৰ ✍ বাদল সৰকাৰ, অনু- দীপক মহন্ত— ৬৯
● *ধাৰাবাহিক উপন্যাস*
সবাতোকৈ নীলা চকুযুৰি
✍ টনী মৰিচন, অনু-অৰূপা পটংগীয়া কলিতা— ৭২
● *আলোচনা*
অসমৰ বিভিন্ন অঞ্চলৰ গণ আন্দোলনৰ চৰিত্ৰ, সম্ভাৱনা আৰু বিপদ
✍ সিদ্ধাৰ্থ লাহিড়ী— ৮২
লক্ষ্মীধৰ শৰ্মাৰ বিদ্ৰোহিনীৰ অন্তৰ্লোকৰ সন্ধানত
✍ সাবিত্ৰী শইকীয়া— ৮৬
প্ৰেমচান্দৰ বিৰুদ্ধে ঘৃণা বিয়োপোৱাৰ উদ্দেশ্য কি ?— ৯২
সুভাষ মুখোপাধ্যায়ৰ কবিতা ঃ জনতাৰ মুখ, মানৱতাৰ মুখ
✍ মিহিৰ মজুমদাৰ— ৯৬
'দো বিঘা জমীন' ✍ ভীষম ছাহনী, অনু- ডলী তালুকদাৰ— ১০০

# লক্ষীধৰ শৰ্মাৰ বিদ্রোহিনীৰ অন্তৰ্লোকৰ সন্ধানত

সাবিত্ৰী শইকীয়া

**ভাৰতীয়** নৱজাগৰণৰ প্ৰভাৱত অসমৰ জাতীয় জীৱনৰ এক পুনৰুত্থানৰ সময়ত নাৰীকেন্দ্ৰিক উদাৰ মানৱতাবাদী চিন্তাধাৰাৰে লেখনিৰ মুখপাত্ৰী কৰি তোলা লক্ষ্মীধৰ শৰ্মাই সমাজৰ অৱহেলিতা, অৱদমিতা, পেষিতা, নিম্নবৰ্গ বাল্য-বিবাহসৃষ্ট বিধবা নাৰীৰ ভিন্ন অৱস্থানৰ চিত্ৰ আঁকিছিল। কেতিয়াবা ঘৰ নগছকাকৈ, কেতিয়াবা ঘৰ গছকি সন্তান জন্ম নৌহওঁতেই পতিহীনা হোৱা নাৰীক সমাজৰ এজনৰ শাৰীত থ'বলৈ দ্বিধাবোধ কৰা অশিক্ষা আৰু সংস্কাৰৰ দ্বাৰা আচ্ছন্নপ্ৰায় কৰি ৰখা নাৰীৰ অৱদমনৰ বিৰুদ্ধে পৰিবৰ্তনমুখী দৃষ্টিভংগীৰে 'বিদ্রোহিনী' গল্পৰ নায়িকা ললিতাৰ মুখেৰে লক্ষ্মীধৰ শৰ্মাৰ প্ৰগতিশীলতা আদৰ্শনীয়।

১:০১ ঃ আধুনিক শিক্ষাৰে শিক্ষিত যুৱক হৰিনাথৰ হিন্দু বিধবাৰ প্ৰতি অনুতাপৰ বিপৰীতে মহেন্দ্ৰৰ হিন্দু ঐতিহ্যৰ নামত সতীত্ব মাহাত্ম্যৰে সমাজ-জাতিৰ মংগল সাধনৰে পাৰস্পৰিক সৃষ্টিৰ বিৰুদ্ধে ব্যংগাত্মক সমালোচনা ললিতাৰ মুখেৰে লক্ষ্মীধৰ শৰ্মাৰ বক্তব্যত স্পষ্ট আৰু পোনপটীয়াকৈ প্ৰকাশিত— 'যাৰ প্ৰেমৰ সম্বল নাই বা শুকাই গৈছে, যি মৃত স্বামীৰ ঠাইত হিয়াত অন্য এজনক বহুৱাইছে তেওঁ কি কৰিব? তেওঁৰ পক্ষে সমস্ত বৈধব্য জানো অৰ্থশূন্য নহয়? যি বিধৱাই আদৰ্শ মানিব খোজে তেওঁ মানক, কিন্তু যি জীৱনৰ আহ্বান শুনি জীৱনৰ আইনকো মানি আকৌ সংসাৰ কৰিব খোজে তেওঁক কেনে যুক্তিৰ বলেৰে সমাজে মিথ্যাচাৰত প্ৰবৃত্ত কৰায়।'[১]

হিন্দু ধৰ্মৰ ৰক্ষণশীলতাৰ লগত জড়িত নাৰীজনিত কুসংস্কাৰ, সতীত্ব-প্ৰেমৰ আদৰ্শৰ ভণ্ডামি তেওঁৰ ব্যাখ্যাত সুতীব্ৰ আক্ৰমণাত্মক। এইক্ষেত্ৰত এংগেলছৰ পুৰুষক বুৰ্জোৱা আৰু নাৰীক সৰ্বহাৰা[২] বোলা মন্তব্যৰ যথাযথ প্ৰয়োগ স্পষ্ট হৈ উঠে। সমাজবাদী নাৰীবাদত লিংগ বৈষম্যৰ বাবে পুৰুষক দোষী কৰা নহয়, ঐতিহাসিক ঘটনা সম্বলিত সমাজ, তাক পালন কৰা সামাজিক সংস্কাৰ আৰু ইবোৰে গঠন কৰা সভ্যতাক দায়ী কৰা হয়। যি পিতৃতন্ত্ৰ বুলি নিৰ্দেশিত।

১:০২ ঃ বিংশৰ নতুন নাৰী সম্বন্ধে লক্ষ্মীধৰ শৰ্মাৰ বৌদ্ধিক দিগন্ত বিশ্বজনীন আছিল

বাবেই তেওঁৰ ৰচনাত ললিতা চৰিত্ৰ অন্য ৰচনাতকৈ অধিক মুখৰ আৰু ব্যতিক্ৰমী আছিল। শিক্ষাৰ অধিকাৰৰ লগতে বৌদ্ধিক মানসিক উন্নতি আৰু সম্পত্তিৰ, চাকৰিৰ, ভোটৰ, বিবাহ-বিচ্ছেদৰ, সন্তানৰ অভিভাৱকত্বৰ, ব্যক্তিগত সুখৰ সন্ধান কৰা আদি অধিকাৰ দাবী আহি পৰিল আৰু লগতে ৰাষ্ট্ৰই শিক্ষাৰ দায়িত্ব গ্ৰহণ কৰাৰ অধিকাৰ আদি দাবীৰে ব্যক্তিবাদী নাৰীবাদী আদৰ্শই নতুন নাৰীক অষ্টাদশৰ শেষ আৰু ঊনবিংশৰ আৰম্ভণিতে জন্ম দিছিল।

লক্ষ্মীধৰ শৰ্মাই এনে নতুন নাৰীৰ উদ্ভৱত শংকিত আৰু প্ৰতিক্ৰিয়াশীলচামৰ বিৰুদ্ধে এনেদৰে জবাব দিছিল— 'নাৰীয়ে ঘৰৰ ভিতৰত থাকি সাংসাৰিক কাম-কাজ, সন্তান-পালন আদি কৰিব, বাহিৰৰ জগতৰ সৈতে তেওঁলোকৰ একো সম্পৰ্ক থকা উচিত নহয়, এয়ে মানুহৰ ধাৰণা আৰু আজি হঠাৎ নাৰীজাতিৰ এই নতুন আৱিৰ্ভাৱ কাৰ্যক্ষেত্ৰত দেখি সমস্ত পৃথিৱীৰ মানুহেই আতংকিত হৈ উঠিছে— অঘটন ঘটিব, সমাজৰ শৃংখলা ভাঙিব— এনেবোৰ কথা কৈ নাৰীৰ এই নতুন উদ্যম ধ্বংসসাধন কৰিবলৈ প্ৰস্তুত হৈছে। সংসাৰ আৰু স্বাৰ্থ দুয়োটা গোট খাই নাৰীজাতিৰ আগত এটি দুৰ্ভেদ্য দুৰ্গৰূপে থিয় হৈছে। কিন্তু দুৰ্গ যিমানেই দুৰ্ভেদ্য হওক সত্যৰ বলত সি লাহে লাহে ধূলিৰ লগত মিহলি হোৱা স্বাভাৱিক।'[৩]

আধুনিক শিক্ষাই অনা সংকোচহীন মনোভাৱ, জগতৰ লাঞ্ছিতা নাৰীৰ মুক্তিৰ বাৰ্তাবাহিক মহিলা অনুষ্ঠানৰ নেত্ৰী, স্বাধীনতা আন্দোলনৰ সক্ৰিয় কৰ্মী, শাস্ত্ৰৰ পৰম্পৰাগত মূল্যবোধৰ অন্ধ সমৰ্থকৰ প্ৰতিবাদী যুক্তিবাদী আৰু বাস্তৱ বিজ্ঞানসন্মত চিন্তা আৰু প্ৰয়োগকাৰিনী ললিতাক আধুনিক নাৰী হিচাপে প্ৰতিষ্ঠা কৰিব পাৰি।

কলকাতাৰ উচ্চশিক্ষা গ্ৰহণৰ কালছোৱা সমনীয়া ছোৱালীৰ দৰে যৌৱনৰ বয়সোচিত আনন্দ-উৎসৱত প্ৰাণ ঢলাৰ সলনি অৱদমিত নাৰীসত্তাৰ মুক্তিৰ উপায় চিন্তনে পঢ়া-শুনা কৰি নিজকে প্ৰস্তুত কৰা ললিতাৰ বাবে আধুনিক শিক্ষাৰ ভেটিত ব্যক্তিগত সুখৰ সন্ধান তেতিয়ালৈ সমাজৰ সামূহিক কল্যাণবোধক আছিল।

সেয়ে শৰ্মাদেৱে কৈছিল 'অসমীয়া নাৰী সম্বন্ধে আষাৰদিয়েক' প্ৰবন্ধত— 'পুৰুষে নাৰীৰ স্থান স্থিৰ কৰিবলৈ যোৱাত এটি পৰ্দাৰ ভাৱ আছে। ইয়াৰ দ্বাৰা এই হে প্ৰমাণিত হয় যে তিৰোতাৰ নিজৰ বিষয়ে ভাবিবৰ ক্ষমতা বা অধিকাৰ নাই। দুখৰ বিষয় এই যে, ইয়াৰ বিৰুদ্ধে হ'লেও এই স্পৰ্ধাযুক্ত কাম আমি হাতত ল'বলৈ বাধ্য হৈছো— তাৰ অৱশ্যে কাৰণো আছে। যি কাৰণেই হওক বৰ্তমান আমালোকৰ তিৰোতাসকল অশিক্ষিতা আৰু নিজৰ কথা ভাবিবলৈ অপাৰগ। যদি কেতিয়াবা সুদিন আহে তেন্তে তেওঁলোকে তেওঁলোকৰ ওপৰত এই একতৰফা ডিক্ৰি দি পৰ্দা ধ্বংস কৰিব।'[৪]

১:০৩ ঃ ললিতা বালবিধৱা। বৈধব্য সত্তাৰ উপস্থিতি সমাজে প্ৰতিক্ষণতে সোঁৱৰাই দিয়া মুহূৰ্তত তাইৰ উপলব্ধি— 'একোবাৰ ললিতাৰ এনে মনত হয় যেন জগতৰ লাঞ্ছিতা নাৰীয়ে তেওঁৰ ভিতৰেদি মুক্তি বিচাৰিছে। একোবাৰ আকৌ নিজৰ সতীত্বৰ

ওপৰত অপৰিসীম ঘৃণাত তেওঁৰ মন ভৰি উঠে। একোবাৰ তাৰ গৌৰৱত তেওঁ মোহিত হৈ যায়।'[৫] ললিতাৰ এনে ৰূপৰ পৰিবৰ্তন ঘটিছে সমাজৰ নিম্নশ্ৰেণী বিধৱাৰ জীয়াই থকাৰ অধিকাৰ, পুনৰ বিবাহৰ অধিকাৰ, জবু কৰা সমাজখনৰ ফোপোলা মৌলবাদৰ বিৰুদ্ধে সৰৱ কণ্ঠত— 'সঁচা কথা নাৰীৰ কুসংস্কাৰ বা ৰক্ষণশীলতাৰ কাৰণে হিন্দু সমাজ টিকি আছে। নাৰীৰ স্বাৰ্থ নিজৰ সন্তানৰ কাৰণে সমাজ ৰক্ষণশীল হওক। কিন্তু সেই কথাৰ সুবিধা লৈ নাৰীক বলেৰে সৰ্বহাৰা কৰি থোৱা বৰ অন্যায়। ডাঙৰ ডাঙৰ শব্দৰে নাৰীক বিশেষকৈ বিধৱাক ভুলাই থোৱা হয়। কিন্তু কাৰ্যক্ষেত্ৰত কি কৰা হয়? নিজৰ মাক-ভনীয়েক, বৌৱেক, বোৱাৰীয়েক, জীয়েক সকলো দাসী হৈ পৰে যেতিয়াই বৈধব্যৰ অপৰাধ তেওঁলোকৰ মূৰত পৰেহি। মুঠতে এই অৱস্থা অস্বাভাৱিক আৰু ইয়াক ৰক্ষাকবচৰ দৰে বুকুত সুমুৱাই লোৱাত হিন্দু সমাজ দিনে দিনে হীন হৈ গৈছে।'[৬]

সেয়ে বিবাহেৰে বশ্য হোৱা মাতৃত্বৰে স্থায়ী দাসত্ব অনা[৭] আধিপত্যৰ ধাৰণাত নাৰীৰ বিশেষকৈ বিধৱাৰ যৌন ইচ্ছাৰ ওপৰত জীৱন্তে কবৰ দিয়া সামাজিক শিকলিক দলিয়াই প্ৰেমৰ দাবীতে বাধা দিয়া নাই। কিন্তু এফালে পাৰম্পৰিক সমাজৰ ভয়ে পেপুৱা কৰা হেমক নাৰীৰ ভালপোৱাৰ শক্তি আৰু বিশ্বাসেৰে আশ্বস্তও কৰিছিল। সংশ্লিষ্ট পুৰুষৰ প্ৰতি নহৈ পুৰুষতন্ত্ৰৰ প্ৰতি থকা প্ৰতিবাদত সৰৱ ললিতাৰ কণ্ঠ 'সমাজে তোমাৰ ওপৰত অত্যাচাৰ কৰিবৰ সুবিধা নাপায়, কাৰণ সমাজৰ লগত এই কথাৰ মীমাংসা কৰিম মই। তোমাৰ নাম সমাজে জনাৰ একো প্ৰয়োজন নাই। তোমাৰ নাম জানিলে মোৰ ওপৰত যি পৰিমাণৰ অত্যাচাৰ চলিব, নাজানিলেও সেই একে পৰিমাণৰ অত্যাচাৰ চলিব।'[৮]

১:০৪ ঃ লক্ষ্মীধৰ শৰ্মা সমাজবাদত বিশ্বাসী। তেওঁৰ মুখপাত্ৰী ললিতাই সেয়ে নিজকে মৌল নাৰীবাদীৰ বিপৰীতে পুৰুষৰ অবিহনে, পুৰুষক শত্ৰু পোনপটীয়াকৈ নিৰ্দেশ নকৰাকৈ সন্তানৰ সম্ভাৱনাই অকলেই সংশয়পূৰ্ণ ভৱিষ্যতৰ বুকুত যুঁজাৰ বাবে সংগ্ৰামী কৰি তুলিছে। ললিতাৰ বাবে শত্ৰু সমাজখনহে হেম নহয়। সেয়ে ললিতাই পিতৃপৰিচয় নৰখাকৈ জন্ম দিয়া সন্তানৰ সমাজত স্বচ্ছন্দ চলাফুৰাত বাধা দিবলৈ বিচৰা সভাই ললিতাৰ বক্তব্য নুশুনাকৈ ৰায়বাহাদুৰে হিন্দু সমাজৰ পৰা বহিষ্কৃত কৰা ৰায়দান, শশধৰ ফুকনে দিয়া বেশ্যা আখ্যা, সমাজে জাৰজ সন্তানৰ মাতৃ আখ্যা দিয়া আদিয়েই ললিতাক 'বিদ্ৰোহিনী' কৰি তুলিলে।

'হিচাপ কৰি ক'ব পাৰেনে কেইটা জাৰজ সন্তানৰ ভাৰ বাপেকে লৈছে? যাওঁক মুনিহ মানুহৰ ওপৰত মোৰ আক্ষেপ নাই। তেনে আক্ষেপ কৰি নিজক অপমানিত নকৰোঁ। যি সন্তান মোৰ, তাৰ সমস্ত ভাৰ মই ল'ম। মুনিহৰ মুখলৈ ইমান দিনে যেনেকৈ তিৰোতাই চাই চলিছে, আৰু তেনেকৈ চলিবলৈ প্ৰস্তুত নহয়। নিজৰ শৰীৰৰ খাটনিৰে তিৰোতাই সহজে সন্তান পালন কৰিব পাৰে। তিৰোতাতকৈ মুনিহ সৰহ উপাৰ্জনক্ষম নহয়।'[৯]

বেশ্যা আখ্যাৰ ব্যাখ্যাও ললিতাই দিছিল সমাজ বিজ্ঞানী এংগেলছে 'পুঁজিবাদী

সমাজত তথাকথিত দাম্পত্য জীৱন সুখী কৰি ৰাখিবলৈকে বেশ্যালয়ৰ প্ৰয়োজন' উক্তিৰ প্ৰতিধ্বনিৰে— 'সমাজৰ দুৰ্বৃত্ত মুনিহক সমাজৰ পবিত্ৰতা ধ্বংস কৰাৰ পৰা এই বেশ্যাই বিৰত ৰাখে। আজি পৃথিৱীৰ পৰা বেশ্যাবৃত্তি দূৰ কৰি দিলে বহু সতীৰ সতীত্ব আৰু নাথাকিব। তেনে অৱস্থাত সমাজৰ কল্যাণৰ ফালৰ পৰা চাবলৈ গ'লে বেশ্যাৰ স্থান বহু সতীৰ স্থানতকৈ ওপৰত।'[১০]

ললিতাই আৰু কৈছিল— 'বেশ্যা হ'লেও জীৱন ধাৰণ কৰিব লাগিব। গতিকেই টকাৰ প্ৰয়োজন। টকা লোৱাৰ কাৰণে এফালে বেশ্যাক ঘিণ আৰু কুলগুৰুক সন্মান কৰাটো উচিত নহ'ব।'[১১]

সেয়ে 'অপৰাধী' কোন বেশ্যা নে তাইক ব্যৱহাৰ কৰোতাজন নে ৰাষ্ট্ৰব্যৱস্থা— এই প্ৰশ্নও নাৰীবাদৰ আধুনিক প্ৰবক্তাসকলে তোলে।[১২]

১:০৫ ঃ নাৰীবাদৰ জনক-জননীসকলে নাৰীৰ বিভিন্ন অৱস্থান আৰু অভিজ্ঞতা ব্যাখ্যা কৰি বিভিন্ন তত্ত্বমত আগবঢ়াইছে। আলোচনা কৰিলে দেখা যায়, সমাজৰ দ্বাৰা আৰোপিত আৰু নিৰ্মিত লিংগবৈষম্য জৈৱিক-মনস্তাত্ত্বিক মূল্যবোধ, পৰম্পৰা বাস্তৱতা আদিৰ আশ্ৰয়ত প্ৰচলিত। কেতিয়াবা ই জাতি-ধৰ্ম-শ্ৰেণী-সামাজিক মৰ্যাদাভেদেও নাৰীৰ অসম অৱস্থান নিৰ্ণিত কৰে। আনহাতে এই লিংগশোষণ পিতৃতন্ত্ৰৰ ক্ষমতাৰ ভেটিত প্ৰতিষ্ঠিত আৰু ইয়াৰ ৰাজনৈতিক স্বাৰ্থৰক্ষা কৰে ৰাষ্ট্ৰ-ধৰ্ম-অৰ্থনীতি-পৰিয়ালে। পুৰুষ আধিপত্য অথবা পিতৃতন্ত্ৰ নিৰ্দেশিত কাৰ্যবোৰৰ প্ৰভাৱতে সামাজিক গাঁথনিত পুৰুষ-নাৰীৰ অৱস্থানৰ ভিন্নতা পৰিলক্ষিত।[১৩]

ললিতাৰ ওপৰত এই পিতৃতন্ত্ৰৰ দমনো অৱধাৰিত হৈছিল হিন্দু সমাজৰ পৰা বহিষ্কৃত ঘোষণাৰে। আনহাতে লিংগবৈষম্যৰ সামাজিক সত্তাটো নাওঠ হৈছিল তাইক মাক সজোৱা ব্যক্তিৰ বিৰুদ্ধে প্ৰায়শ্চিত্ত মাত্ৰৰহে বিধানেৰে। 'শেষৰ কথা ফাঁকি শুনি ললিতাই মিচিকিয়াই হাঁহিলে, কাৰণ তেওঁৰ মনত, মুনিহ আৰু তিৰোতাৰ প্ৰতি যে বেলেগ বেলেগ শাস্তিৰ বিধান হৈ গ'ল এই কথাষাৰ খেলাই গ'ল।'[১৪]

পিতৃতন্ত্ৰৰ ছত্ৰছায়াত বিধৱাক মানুহ, স্বাভাৱিক মানুহ হিচাপে স্বীকৃতি নিদিয়া ঊনবিংশৰ সামন্তবাদী চিন্তাৰ বিৰুদ্ধে ললিতাৰ দাবী মানুহৰ দাবী। ইয়াতে ব্যক্তিবাদী নাৰীবাদ সমৰ্থিত নাৰীত্ব, পত্নীত্ব আৰু মাতৃত্বৰ স্বৰূপ ললিতাই দাঙি ধৰি তাৰ অৱবোধী শক্তিৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছে। ললিতাই যেতিয়া এই স্বৰূপ স্বতঃসিদ্ধ বিধৱাৰ ক্ষেত্ৰটো বুলি ক'লে তেতিয়া মহেন্দ্ৰই কৈছিল—

মহেন্দ্ৰ ঃ কিন্তু এই অধিকাৰ বিধৱাৰ নাই। যি বিধৱাই তেনে কৰে তেওঁক 'বিদ্ৰোহিনী'ৰ বাহিৰে কি আখ্যা দিম?

ললিতা ঃ সমাজে যদি জীৱনৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰে তেন্তে জীৱনৰ মাহাত্ম্যক যি বৰণ কৰি ল'ব খোজে সি যে সমাজৰ বিদ্ৰোহ কৰিব লাগিবই আৰু পৰিবৰ্তন মানেই

বিদ্ৰোহ। যি পৰিবৰ্তনে সমাজক বা ব্যক্তিক সত্যৰ ফালে লৈ যায় তাক আজি বিদ্ৰোহ বুলিলেও কালিলৈ তাৰ জয়গানত সমাজ মুক্তকণ্ঠ হ'ব।'[১৫]

সমাজবাদী নাৰীবাদত পত্নীত্ব, মাতৃত্ব অস্বীকৃত নহয়। ৰাষ্ট্ৰই সন্তানৰ লালন-পালন-ভৰণ পোষণৰ দায়িত্ব লৈ মাতৃগৰাকীৰ সন্তান জন্মকালীন সময়ছোৱাক ৰেহাই দি পিছৰ সময়ছোৱা সামাজিক-ৰাষ্ট্ৰিক উৎপাদনমুখী কাম-কাজত নিয়োজিত কৰোৱাৰ দায়িত্ব লয়। মৌল নাৰীবাদত মাতৃত্ব নাৰীৰ ইচ্ছাধীন। কিয়নো সন্তানে দাসত্বক স্থায়ী কৰে বুলি বিশ্বাস কৰা হয়। ভাৰ্জিনিয়া উলফে কৈছিল— 'লিংগপৰিচয় জন্মগত নহয়, সামাজিকভাৱে নিৰ্মিত এক অভ্যাস, যাক চেলেঞ্জ জনোৱা হয়, যাৰ পৰিবৰ্তন সম্ভৱ।'[১৬]

ললিতাৰ মাতৃত্ব নিজৰ ইচ্ছাধীন। হেমেই সন্তানটিৰ ভাৰ ল'বলৈ অপাৰগ অৱস্থাত ভ্ৰূণ বিনষ্ট কৰা চলিত পৰম্পৰাৰ প্ৰতিভু চৰিত্ৰৰ নিৰ্দেশ অমান্য কৰি তাৰ প্ৰতিবাদত আত্মপৰিচয়েৰে এজন উপযুক্ত মানৱ-সন্তান, প্ৰকৃত নাগৰিক হিচাপে প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্তত অটল হৈ নিজকে সাজু কৰি সামাজিক বিচাৰসভাক প্ৰত্যাহ্বান জনাইছিল। এনে দুৰ্দম্য সাহস, প্ৰবল আত্মবিশ্বাস ঊনবিংশৰ নাৰীয়ে অৰ্জন কৰাৰ মূলতে এহাতে লক্ষ্মীধৰৰ আদৰ্শ-চিন্তা-চেতনাত বিশ্বজননী নাৰীবাদী আলাপ বা বাগধাৰা (discourse)ৰ প্ৰভাৱ আনহাতে সাম্যবাদী দৰ্শনৰ দ্বাৰা অনুপ্ৰাণিত হৈ নাৰী-পুৰুষৰ সমানাধিকাৰ প্ৰতিষ্ঠাৰো আগ্ৰহী আছিল। অৱশ্যেই স্বীকাৰ কৰিবু লাগিব যে সমকালীন বংগীয় নৱজাগৰণৰ সংস্কাৰ আন্দোলনৰ ভূমিকাও লক্ষ্মীধৰ শৰ্মাৰ মনত ক্ৰিয়াশীল হৈ আছিল।

বিদ্ৰোহিনী ললিতাই বিচাৰসভাত নাৰীৰ উপস্থিতি শূন্য দেখি প্ৰতিবাদ কৰি উঠিছিল— 'আজি বিচাৰৰ কথা এগৰাকী নাৰীৰ। কিন্তু কেৱল পুৰুষৰ উপস্থিতিৰ পৰা বুজা যায় যে সমাজৰ আৱশ্যকীয় অংশ নাৰীক একেবাৰে বাদ দি নাৰীৰ বিচাৰ আপোনালোকে কৰিবলৈ ওলাইছে। মই প্ৰথমতে সুধিব খোজো কি অধিকাৰৰ বলেৰে আপোনালোকে এই বিচাৰ কৰিবলৈ ওলাইছে?' হৰিনাথে তেতিয়া কৈছিল— শাস্ত্ৰৰ অধিকাৰত, সমাজৰ মংগল চিন্তাৰ অধিকাৰত'...।[১৭]

প্ৰসংগক্ৰমে পিতৃতন্ত্ৰৰ এই আধিপত্যৰ ধাৰণাটো লগতে লিংগবিষম স্থিতিটো প্ৰাঞ্জলভাৱে মৌল নাৰীবাদী কেট মিলেটে তেওঁৰ Sexual Politics (1970) গ্ৰন্থত ব্যাখ্যা কৰিছে। তেওঁ কৈছে, 'ৰাজনীতি মানে ক্ষমতাৰ সম্পৰ্ক, যাৰ দ্বাৰা এটা গোষ্ঠীয়ে অইন এটা গোষ্ঠীক নিয়ন্ত্ৰণ কৰে। ইতিহাসত নাৰী অৱদমনৰ মূল উৎসও ইয়াতেই বুলি তেওঁ পুৰুষে নাৰীৰ দমন কৰাটো জন্মগত অধিকাৰ বুলি ভবাৰ দিশটো উনুকিয়াইছে। এই শাসন ইমান প্ৰভাৱশালী আৰু সুদৃঢ় যে ই নীচাত্মক উপনিবেশবাদৰে ফচল। এই যৌন দমন, লিংগ শোষণ সংস্কৃতি, সমাজৰ স্তৰে স্তৰে গঁথা আছে।[১৮]

ললিতা চৰিত্ৰ সেয়ে পূৰ্বতে কৈ অহাৰ দৰে আংশিক ব্যক্তিবাদী আৰু আংশিক সমাজবাদী নাৰীবাদৰ বাৰ্তাবাহক হৈ উঠিলেও মৌল নাৰীবাদৰো কিছু প্ৰতীকেৰে সমৃদ্ধ।

সেয়ে নতুনৰ দূতীগৰাকীয়ে নাৰী-পুৰুষৰ সমঅধিকাৰ আকাংক্ষা কৰা সমাজৰ প্ৰতিষ্ঠাৰ বাবে আহ্বান দি নিজকে ৰণুৱা কৰি বুকুত কেঁচুৱা বান্ধি ওলাই আহিছিল 'মোৰ চিন্তাৰে, কাৰ্যৰে সাহসী কৰ্মীৰ দল সৃষ্টি কৰি সনাতনৰ জগদ্দল পাহাৰ সমাজৰ বুকুৰ পৰা খহাবৰ চেষ্টা কৰিম। যদি নোৱাৰো আপত্তি নাই, কাৰণ সফলতাত নহয় উদ্যমতহে মানুহৰ মহত্ত্ব থাকে।'[১৯].....

সেয়ে হেমই ললিতাৰ বিদ্ৰোহী সেনাৰ প্ৰথম চিপাহী হৈ সন্তানটোক পিতৃৰ পৰিচয় দি দুয়ো সমঅধিকাৰপূৰ্ণ জগত সৃষ্টিত খোজ বঢ়ালে। ■

প্ৰসংগ সূচী ঃ


১। মুকুট ভট্টাচাৰ্য আৰু অন্যান্য সম্পাদিত ঃ
দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা ৰচনাৱলী (প্ৰথমখণ্ড), পৃষ্ঠা-৩১
২। কনক মুখোপাধ্যায়– মাৰ্ক্সবাদ ও নাৰীমুক্তি, পৃষ্ঠা-২৮
৩। পৰমানন্দ মজুমদাৰ আৰু অন্যান্য সম্পাদিত ঃ
দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা ৰচনাৱলী (দ্বিতীয় খণ্ড), পৃষ্ঠা-২৭৬
৪। পৰমানন্দ মজুমদাৰ আৰু অন্যান্য সম্পাদিত ঃ
দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা ৰচনাৱলী (দ্বিতীয় খণ্ড), পৃষ্ঠা-২৭৭
৫। পৰমানন্দ মজুমদাৰ আৰু অন্যান্য সম্পাদিত ঃ
দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা ৰচনাৱলী (দ্বিতীয় খণ্ড), পৃষ্ঠা-২৫
৬। পৰমানন্দ মজুমদাৰ আৰু অন্যান্য সম্পাদিত ঃ
দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা ৰচনাৱলী (দ্বিতীয় খণ্ড), পৃষ্ঠা-৩১
৭। Simone de Beauvoir– The Second Sex, Page-501
৮। পৰমানন্দ মজুমদাৰ আৰু অন্যান্য সম্পাদিত ঃ
দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা ৰচনাৱলী (দ্বিতীয় খণ্ড), পৃষ্ঠা-৩৪
৯। পৰমানন্দ মজুমদাৰ আৰু অন্যান্য সম্পাদিত ঃ
দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা ৰচনাৱলী (দ্বিতীয় খণ্ড), পৃষ্ঠা-৩৭
১০। পৰমানন্দ মজুমদাৰ আৰু অন্যান্য সম্পাদিত ঃ
দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা ৰচনাৱলী (দ্বিতীয় খণ্ড), পৃষ্ঠা-৩৭
১১। পৰমানন্দ মজুমদাৰ আৰু অন্যান্য সম্পাদিত ঃ
দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা ৰচনাৱলী (দ্বিতীয় খণ্ড), পৃষ্ঠা-৩৭
১২। মল্লিকা সেনগুপ্ত– স্ত্ৰীলিংগ নিৰ্মাণ, পৃষ্ঠা- ১০২
১৩। John Charvet- Feminism, Page-97.
১৪। পৰমানন্দ মজুমদাৰ আৰু অন্যান্য সম্পাদিত ঃ
দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা ৰচনাৱলী (দ্বিতীয় খণ্ড), পৃষ্ঠা-৩৫
১৫। পৰমানন্দ মজুমদাৰ আৰু অন্যান্য সম্পাদিত ঃ দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা ৰচনাৱলী , পৃষ্ঠা-৩৬
১৬। মল্লিকা সেনগুপ্ত– স্ত্ৰীলিংগ নিৰ্মাণ, পৃষ্ঠা- ৪১
১৭। পৰমানন্দ মজুমদাৰ আৰু অন্যান্য সম্পাদিত ঃ
দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা ৰচনাৱলী (দ্বিতীয় খণ্ড), পৃষ্ঠা-৩৬
১৩। John Charvet- Feminism, Page-121.
১৯। পৰমানন্দ মজুমদাৰ আৰু অন্যান্য সম্পাদিত ঃ
দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা ৰচনাৱলী (দ্বিতীয় খণ্ড), পৃষ্ঠা-৩৮